নং ঃ ৮৪/২০২০

## মাজুলীত প্ৰায় ১৪১ কোটি টকা ব্যয় বিশিষ্ট ৩২ খন আঁচনিৰ আধাৰশিলা স্থাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

**মাজুলীত ২০ খন হাইব্ৰীড জলসিঞ্চন আঁচনি আৰু গড়মূৰত ৰক্ত ভঁৰালৰ শুভাৰম্ভ, আধাৰশিলা স্থাপন কৰিলে ২৮ খনকৈ বিশুদ্ধ খোৱাপানী যোগান আঁচনিৰ**

**আউনিআটীত জিলা বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহ, বন গাঁৱত ব্ৰহ্মপুত্ৰ বোৰ্ডৰ মাণ্ডলিক কাৰ্যালয়, গড়মূৰত জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ৰো আধাৰশিলা স্থাপন**

**দিছপুৰ, ২২ ফেব্ৰুৱাৰী ঃ** “বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতিৰ সাৰুৱা পথাৰ নদীদ্বীপ মাজুলীৰ ১ লাখ ৮০ হাজাৰ বাসিন্দাক এক মৰ্যাদাপূৰ্ণ জীৱন উপহাৰ দিয়াৰ বাবে জিলাখনৰ আন্তঃগাঁথনি সম্পূৰ্ণভাৱে শক্তিশালী ৰূপত গঢ় দিয়াটো বৰ্তমানৰ চৰকাৰখনৰ এক অন্যতম প্ৰধান লক্ষ্য। প্ৰায় ১৪১ কোটি টকা ব্যয়ৰে ৰাজ্য চৰকাৰে আজি মাজুলীত যি ৩২ খন আঁচনি তথা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিলে এই আঁচনি সমূহৰ সফল ৰূপায়ণে মাজুলীক উন্নয়নৰ এক নতুন দিগন্তত উপনীত কৰাব।”- মাজুলীৰ জেংৰাইমুখৰ বৰপমুৱাস্থিত জেংৰাইমুখ ক্ৰীড়া প্ৰকল্পৰ প্ৰাংগণত আয়োজিত এক বিশাল জন সভাক সম্বোধন কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি এনেদৰে কয়।

মুখ্যমন্ত্ৰী গৰাকীয়ে কয় যে ভাৰত চৰকাৰৰ জল জীৱন অভিযানৰ লক্ষ্যক বাস্তৱায়িত কৰি তোলাৰ পদক্ষেপ হিচাপে জনস্বাস্থ্য কাৰিকৰী বিভাগে মাজুলীৰ বুকুত আজি যি ২৮ খন বিশুদ্ধ খোৱাপানী যোগান আঁচনিৰ আধাৰশিলা স্থাপন কৰিলে ই ৰাজ্যৰ ভিতৰতে বিভাগটোৱে একেদিনাই হাতত লোৱা সৰ্ববৃহৎ আঁচনি ৰূপে পৰিগণিত হৈছে। প্ৰায় ১০৪.১১ কোটি টকা ব্যয়ৰে হাতত লোৱা এই প্ৰকল্প সমূহ কৰ্মক্ষম হৈ উঠিলে মাজুলীৰ অধিকাংশ অঞ্চলৰ ৰাইজে নিজৰ ঘৰতে পৰিষ্কাৰ আৰু নিৰাপদ খোৱাপানী লাভ কৰিবলৈ সক্ষম হ’ব। ৰাজ্যৰ অন্যান্য কেতবোৰ ঠাইৰ লগতে মাজুলীৰ পানীটো বিষাক্ত আৰ্ছেনিকৰ উপস্থিতি আৱিস্কৃত হোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মাজুলীবাসীক ৰোগমুক্ত আৰু স্বাস্থ্যকৰ জীৱন উপহাৰ দিয়াৰ বাবে এই আঁচনি সমূহে নিজৰ সৰ্বোৎকৃষ্ট সেৱা আগবঢ়াব। ৰাইজৰ সহযোগিতা অবিহনে চৰকাৰৰ কোনো আঁচনিয়েই সফলতা বুটলিব নোৱাৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী গৰাকীয়ে এই আঁচনি সমূহৰ সফল ৰূপায়ণৰ বাবে মাজুলীৰ প্ৰতিগৰাকী লোকৰে সহায়-সহযোগিতা কামনা কৰে।

এই সভাতে মুখ্যমন্ত্ৰী গৰাকীয়ে বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ অধীনত ২৫.৯২ কোটি টকা ব্যয়ৰে মাজুলীৰ আউনিআটীত নিৰ্মাণ কৰিবলৈ লোৱা জিলা বিজ্ঞান আৰু প্ৰযুক্তি কেন্দ্ৰ তথা তাৰকা গৃহৰ আধাৰশিলাও স্থাপন কৰে। এই বিজ্ঞান কেন্দ্ৰটো ৰাজ্যখনৰ ভিতৰতে আটাইতকৈ অত্যাধুনিক প্ৰযুক্তিৰে নিৰ্মিত হ’ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী গৰাকীয়ে জিলাখনৰ নতুন প্ৰজন্মক ইয়াৰ সুফল গ্ৰহণ কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে একবিংশ শতিকা হৈছে বিজ্ঞান আৰু প্ৰযুক্তিৰ যুগ। বিজ্ঞান আৰু প্ৰযুক্তিৰ

উপযুক্ত শিক্ষাৰে শিক্ষিত হৈ আধুনিক ধ্যান ধাৰণাৰ সৈতে আমি নদীদ্বীপটোত নিহিত হৈ থকা প্ৰাকৃতিক সম্পদ, সম্ভাৱনা, যোগ্যতা, দৃঢ়তা, একাগ্ৰতা, সততা আৰু নিষ্ঠাক বিশ্ববাসীৰ সন্মুখত উজ্বল ৰূপত দাঙি ধৰিব লাগিব।

একে অনুষ্ঠানতে মুখ্যমন্ত্ৰী গৰাকীয়ে আন কেইবাটাও প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে। সেই সমূহ হৈছে ৯.৪৬ কোটি টকা ব্যয়ৰে বনগাঁৱত নিৰ্মাণ কৰিবলৈ লোৱা ব্ৰহ্মপুত্ৰ বোৰ্ডৰ মাজুলী মাণ্ডলিক কাৰ্যালয় চৌহদৰ আধাৰশিলা, ৭৫ লাখ টকা ব্যয়ৰে ব্ৰহ্মপুত্ৰ বোৰ্ডে হাতত লোৱা ড্ৰ'ণৰ নিৰীক্ষণেৰে আকাশ মাৰ্গৰ পৰা দৃশ্য সংগ্ৰহ কৰি মাজুলী সুৰক্ষাৰ এখন আঁচনি আৰু ২.০৩ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰিবলৈ লোৱা মাজুলী জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ৰ আধাৰশিলা। সভাত মুখ্যমন্ত্ৰী গৰাকীয়ে জলসিঞ্চন বিভাগৰ দ্বাৰা ৩৭.৫৩ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰা ২০ খন সৌৰ তথা বিদ্যুৎ শক্তি চালিত হাইব্ৰীড জলসিঞ্চন আঁচনিও আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী গৰাকীয়ে আজি পুৱাৰ ভাগত গড়মূৰস্থিত শ্ৰীশ্ৰী পীতাম্বৰ দেৱগোস্বামী মহকুমা অসামৰিক চিকিৎসালয়ত ৫৪.৫ লাখ টকা ব্যয়ৰে স্থাপন কৰা ৰক্ত ভঁৰালটিও আনুষ্ঠানিকভাৱে উদ্বোধন কৰি মাজুলী বাসীৰ সেৱাত উৎসৰ্গা কৰে। এই ৰক্ত ভঁৰালে মাজুলী বাসীৰ এক দীৰ্ঘদিনীয়া প্ৰত্যাশা পূৰণ কৰি জিলাখনৰ স্বাস্থ্য ক্ষেত্ৰত এক উল্লেখযোগ্য পৰিৱৰ্তন আনিবলৈ সক্ষম হ'ল বুলি মুখ্যমন্ত্ৰী গৰাকীয়ে মন্তব্য কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী গৰাকীয়ে আৰু কয় যে মাজুলীবাসী ৰাইজৰ মৰম আৰু আন্তৰিকতা তথা ৰাজ্যখনৰ প্ৰতিগৰাকী মন্ত্ৰী-বিধায়কৰ মাজুলীৰ প্ৰতি থকা সদিচ্ছাৰ ফলশ্ৰুতিতে বিগত ৪ বছৰত মাজুলীয়ে ২ হাজাৰ কোটি টকাৰো অধিক পুঁজি লাভ কৰিবলৈ সক্ষম হৈছে। এই বিশাল অংকৰ পুঁজিৰ প্ৰকৃত সৎ ব্যৱহাৰ হ'লে মাজুলীৰ চেহেৰাই সলনি হৈ যাব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী গৰাকীয়ে প্ৰতিটো আঁচনিৰ উপযুক্ত ৰূপায়ণৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিবলৈ ৰাইজলৈ আহ্বান জনায়। তেওঁ কয় যে চৰকাৰী পুঁজিৰ সৎ ব্যৱহাৰ নহ'লে সমাজ ক্ষতিগ্ৰস্ত হ'ব। ৰাইজ সজাগ আৰু সচেতন হ'লেহে এই ক্ষেত্ৰত সফলতা লাভ কৰিব পৰা যাব বুলি মুখ্যমন্ত্ৰী গৰাকীয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে মূল্যবোধে সমাজক সুস্থিৰ কৰি ৰাখে আৰু ইয়াৰ অবিহনে পৰস্পৰৰ মাজত অবিশ্বাসে গা কৰি উঠিব। সেয়েহে মূল্যবোধৰ শক্তিশালী চেতনা গঢ়ি তোলাৰ জৰিয়তে শক্তিশালী সমাজ নিৰ্মাণত আমি সকলোৰে ব্ৰতী হ'ব লাগিব। বৰ্তমানৰ চৰকাৰখনে অসমৰ প্ৰতিটো জাতি-জনগোষ্ঠী, ভাষা-ভাষীৰ লোকক সম-মৰ্যাদা প্ৰদান কৰাৰ লগতে সকলোৰে সম-উন্নয়নৰ বাবে দিনে-নিশাই কাম কৰিছে। এই ধাৰা অব্যাহত ৰখাৰ বাবে তেওঁ সমাজৰ প্ৰতিগৰাকী লোকৰে সহায়-সহযোগিতা কামনা কৰে।

সভাত ভাষণ প্ৰদান কৰি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ৰিহন দৈমাৰীয়ে আজিৰ দিনটো মাজুলী বাসীৰ বাবে এক ঐতিহাসিক দিন বুলি অভিহিত কৰে। আজি আধাৰশিলা স্থাপন কৰা সমগ্ৰ ২৮ খন পানীযোগান আঁচনিৰেই কাম ২০২১ চনৰ মাৰ্চৰ ভিতৰতে সম্পূৰ্ণ কৰি তোলাৰ বাবে বিভাগে অহোপুৰুষাৰ্থ চেষ্টা কৰিব বুলি মন্ত্ৰী গৰাকীয়ে উল্লেখ কৰে। অহা বছৰৰ ভিতৰত মাজুলীত অতিৰিক্ত ১০ হাজাৰ টা

শৌচাগাৰ নিৰ্মাণ কৰি মাজুলীৰ প্ৰতিঘৰ বাসিন্দাকে ইয়াৰ অধীনত সামৰি লোৱা হ'ব বুলিও তেওঁ উল্লেখ কৰে।

সভাত বিজ্ঞান আৰু প্ৰযুক্তি তথা জলসম্পদ বিভাগৰ মন্ত্ৰী কেশৱ মহন্তইও ভাষণ প্ৰদান কৰে। অসমৰ মুখ্যমন্ত্ৰী গৰাকীক নিজৰ বিধায়ক হিচাপে পোৱাটো মাজুলী বাসীৰ বাবে গৌৰৱৰ কথা বুলি তেওঁ উল্লেখ কৰে। তৃণমূল পৰ্যায়লৈকে বিজ্ঞান আৰু প্ৰযুক্তিৰ আন্তঃগাঁথনিৰ দিশত অসম অতি সোনকালে ভাৰতবৰ্ষৰ ভিতৰতে আগৰণুৱা ৰাজ্য হিচাপে পৰিগণিত হ'ব বুলিও মন্ত্ৰী গৰাকীয়ে উল্লেখ কৰে।

আজিৰ সভাত লখিমপুৰ আৰু যোৰহাট লোকসভা সমষ্টিৰ সাংসদদ্বয় ক্ৰমে প্ৰদান বৰুৱা আৰু তপন কুমাৰ গগৈয়েও বক্তব্য আগবঢ়ায়। মাজুলীৰ কেইবাখনো সত্ৰৰ সত্ৰাধিকাৰ সকলেও ভাগ লোৱা এই সভাত মাজুলী জিলা পৰিষদৰ সভানেত্ৰী পাপু হাজৰিকা দত্ত, দেউৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য মাধৱ দেউৰী, পৰিবহন বিভাগৰ আয়ুক্ত আদিল খান, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সচিব ড° সিদ্ধাৰ্থ সিং, বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ সচিব হেমেন দাস, ব্ৰহ্মপুত্ৰ বোৰ্ডৰ অধ্যক্ষ ৰাজীৱ যাদৱ, অসম ক্ৰিকেট সন্থাৰ সভাপতি ৰমেন দত্ত, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰ, মাজুলীৰ উপায়ুক্ত বিক্ৰম কৈৰী প্ৰমুখ্যে বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**প্ৰঃবঃ**

**২২/০২/২০২০**